# ধেমাজি মাদাৰ্চ প্ৰাইড বিদ্যালয় ঃ এক চমু অৱলোকন

দীপিকা ফুকন
ধেমাজি

বৰ্তমান সময়ত ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ প্ৰয়োজনীয়তা অতি গুৰুত্বপূৰ্ণ। যিহেতু ইংৰাজী ভাষা হৈছে— আন্তঃৰাষ্ট্ৰীয় ভাষা। ইংৰাজী ভাষাৰ জ্ঞান নাথাকিলে বৰ্তমান সময়ত শিক্ষাৰ্থীসকলে বিশেষকৈ যুৱ প্ৰজন্মই বহু সমস্যাৰ সন্মুখীন হ'ব লগাত পৰিছে। আজিৰ পৰা কেইবছৰমানৰ আগতে অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ তুলনাত ধেমাজি জিলাত ইংৰাজী মাধ্যমৰ বিদ্যালয় তেনেই নগণ্য আছিল। সেয়েহে ইংৰাজী ভাষা শিক্ষাৰ গুৰুত্ব উপলব্ধি কৰি "Dhemaji Education and Economic Development Society"ৰ সিদ্ধান্তমৰ্মে ধেমাজি জিলাৰ কণ কণ শিশুসকলক ইংৰাজী মাধ্যমত শিক্ষা প্ৰদান কৰি ইংৰাজী ভাষাৰ শিক্ষা প্ৰদান কৰাৰ লগতে শৈক্ষিক, নৈতিক, মানসিক, বৌদ্ধিক আৰু আধ্যাত্মিক আদি সকলো দিশত জ্ঞান, শিক্ষা প্ৰদান কৰি প্ৰতিজন শিশুক দেশ-মাতৃৰ এক সুযোগ্য সন্তানৰূপে গঢ়ি তোলাৰ মহান উদ্দেশ্যেৰে ২০০৮ চনৰ জানুৱাৰী মাহত ধেমাজি নগৰ চাৰিআলিৰ সমীপত "ধেমাজি মাদাৰ্চ প্ৰাইড বিদ্যালয়" নামেৰে এখনি বিদ্যালয় প্ৰতিষ্ঠা কৰে আৰু ২০০৯ চনৰ জানুৱাৰী মাহত ৪ জন শিক্ষক-শিক্ষয়িত্ৰীৰ সহযোগত ৭০ জন শিক্ষাৰ্থীৰ সৈতে Nursuryৰ পাঠদান আৰম্ভ কৰে। পৰৱৰ্তী সময়ত ২০১৭ চনত ষষ্ঠ শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈ নাৱেং গাঁওস্থিত নৱনিৰ্মিত বিদ্যালয় গৃহলৈ স্থানান্তৰ কৰা হয় আৰু চাৰিআলিস্থিত বিদ্যালয় গৃহত Nursuryৰ পৰা পঞ্চম শ্ৰেণীলৈ পাঠদান কাৰ্য অব্যাহত ৰখা হয় আৰু ২০১৯ চনত প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ নাৱেং গাঁওস্থিত বিদ্যালয়লৈ স্থানান্তৰ কৰা হয়। বৰ্তমান চাৰিআলিস্থিত বিদ্যালয় গৃহত Nursury, LKG, UKG-ৰ পাঠদান কাৰ্য অব্যাহত আছে। বৰ্তমানলৈ ১৩ বছৰ অতিক্ৰম কৰা এই বিদ্যালয়খনত মুঠ ৩৮ জন শিক্ষক-শিক্ষয়িত্ৰী তথা প্ৰায় ১৩০০ জন ছাত্ৰ-ছাত্ৰী আছে। উল্লেখযোগ্য যে এখন

আদর্শ বিদ্যালয় হিচাপে গঢ় দিবলৈ গুৰি ধৰোতা পৰিচালক মান্যবৰ বিজয় দাস ছাৰে বিদ্যালয়খনৰ সকলো কাম-কাজ চলাই নিয়াৰ লগতে বিদ্যালয়খনৰ সৰ্বাংগীণ বিকাশৰ বাবে সঠিক গুৰুত্ব দি আহিছে। নগৰৰ ঘন জনবসতিপূৰ্ণ ঠাইৰ পৰা নিলগত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক প্ৰয়োজন আৰু আগ্ৰহ পূৰণত উপযুক্ত পৰিৱেশত নিৰ্মিত বিদ্যালয়খনত বৰ্তমান আধুনিক শিক্ষা ব্যৱস্থাৰ সকলোধৰণৰ উন্নতমানৰ শিক্ষণৰ সা-সঁজুলি, জ্ঞান আহৰণৰ কৌশলভিত্তিক পাঠ্যক্ৰম, কম্পিউটাৰ শিক্ষা, গ্ৰন্থাগাৰ, বিজ্ঞানৰ গৱেষণাগাৰ, বিজ্ঞানৰ আহিলা পাতি, প্ৰেক্ষাগৃহ, খেলা-ধুলাৰ সামগ্ৰী, খেলা-ধুলাৰ বাবে এখন বৃহৎ খেলপথাৰ আদি সকলো সা-সুবিধা আছে। ইয়াৰোপৰি বিদ্যালয় প্ৰাঙ্গণত প্ৰৱেশদ্বাৰৰ কাষতেই থকা সুন্দৰ মনোমোহা বাগিচাখনে সকলো শিক্ষাৰ্থীৰে মনবোৰ জীপাল কৰি তোলে।

বিদ্যালয়খনৰ শৈক্ষিক গুৰিয়ালস্বৰূপে পৰিচালক ছাৰ বিজয় দাসদেৱে বিদ্যালয়খনৰ সামগ্ৰিক বিকাশৰ ওপৰত গুৰুত্ব দি প্ৰধানকৈ সকলো ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী তথা অভিভাৱকসকলৰ মাজত বিদ্যালয়ৰ সকলো নিয়ম-নীতি মানি চলাতো কৰ্তব্যত পৰিণত কৰাৰ লগতে শিক্ষাৰ্থীসকলৰ শৈক্ষিক মূল্যায়ন কৰি তেওঁলোকৰ প্ৰতিটো দিশৰ অগ্ৰগতিৰ বিষয়ে বুজ লৈ শিক্ষাৰ্থী, অভিভাৱক তথা শিক্ষক-শিক্ষয়িত্ৰীৰ লগত আলোচনা কৰি উপযুক্ত পদক্ষেপ লৈ আহিছে। এইক্ষেত্ৰত বিদ্যালয়ৰ অধ্যক্ষ ছাৰ পি. জে. থমাচদেৱেও যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

বিদ্যালয়খনত শিক্ষাৰ্থীসকলৰ বাধ্যতামূলক পাঠ্যক্ৰমৰ উপৰি শিক্ষাৰ্থীসকলৰ ব্যক্তিত্ব বিকাশত সহায় হোৱাকৈ শিশুৰ অন্তৰ্নিহিত গুণৰাজিৰ বিকাশ সাধন কৰা আৰু আত্মপ্ৰকাশৰ সুবিধা দিয়াৰ লগতে স্কুলীয়া জীৱনৰ প্ৰতি তেওঁলোকক আগ্ৰহী কৰি তোলাৰ উদ্দেশ্যে বিদ্যালয়ত সহঃ পাঠ্যক্ৰমৰ ওপৰত গুৰুত্ব দি আহিছে। বিদ্যালয়খনত এই সহঃপাঠ্যক্ৰমসমূহৰ জৰিয়তে শিক্ষাৰ্থীসকলে যাতে তেওঁলোকৰ আজৰি সময়খিনি সৎ ব্যৱহাৰ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি সৃজনীমূলক কাম-কাজৰ প্ৰতিও আগ্ৰহী কৰি তেওঁলোকৰ নিজস্ব অনুভূতিৰে খেলা-ধুলা কৰা, ছবি আঁকা, হস্তকলা বনোৱা, নৃত্য-গীত আদি কাৰ্যৰ দ্বাৰা সৃজনীশীলতা প্ৰকাশ কৰাত গুৰত্ব দি আহিছে আৰু এই ক্ষেত্ৰত বাধ্যতামূলক পাঠ্যক্ৰমৰ উপৰি সহপাঠ্যক্ৰমৰ সকলো বিষয়তে উপযুক্ত অৰ্হতাসম্পন্ন শিক্ষক নিৰ্বাচন কৰি প্ৰয়োজনীয় প্ৰশিক্ষণ দি শিক্ষা প্ৰদান কাৰ্য সফল তথা ফলপ্ৰসু হোৱাকৈ প্ৰত্যেকজন শিক্ষকক উপযুক্ত কৰি গঢ়ি তোলে। বিদ্যালয়খনত বিশেষকৈ ছবি, হস্তকলা, প্ৰায় সকলো ধৰণৰ খেল-ধেমালি, সংগীত, নৃত্য, নাটক, হৰিনাম, অসমীয়া, হিন্দী আৰু ইংৰাজী ভাষাত বক্তৃতা দিয়া, কবিতা আবৃত্তি, বাতৰি কাকত পঢ়া আদি বহু দিশত গুৰুত্ব দিয়া হয়। শেহতীয়াকৈ বিদ্যালয়খনত ছাত্ৰীসকলৰ

আৰু সুৰকাৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই বিদ্যালয়ত নিম্ন শাখাৰ ছাত্ৰ-ছাত্ৰীসকলক সাধুকথাৰ জৰিয়তে শিশুৰ কাল্পনিক মন জাগ্ৰত কৰি চিন্তাশক্তি বৃদ্ধি কৰা তথা পিতৃ-মাতৃ ভক্তি, জ্যেষ্ঠজনৰ প্ৰতি শ্ৰদ্ধা, ভাতৃত্ববোধ, আদৰ্শ, নৈতিকতা, দেশপ্ৰেম, মানবীয় মূল্যবোধ, ভগৱানৰ অস্তিত্বৰ উপলব্ধিয়ে শিশুসকলৰ ধৰ্মীয় তথা আধ্যাত্মিকতাৰ মনোভাব জাগ্ৰত কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হয়। ঠিক সেইদৰে বিদ্যালয়খনত ধ্যান তথা প্ৰাণায়ামৰ যোগেদি শিক্ষাৰ্থীসকলৰ মনোযোগ, একাগ্ৰতা আৰু স্থিৰতা বজাই ৰখাত গুৰুত্ব দিয়া হয়। ইয়াৰোপৰি প্ৰাৰ্থনা, গায়ত্ৰীমন্ত্ৰ শান্তিপাঠ, যোগাসনৰ জৰিয়তে শিক্ষাৰ্থীৰ মানসিক, আধ্যাত্মিক, নৈতিক, বৌদ্ধিক আদি দিশৰ বিকাশত গুৰুত্ব দিয়া হয়। বিদ্যালয়ৰ অতি আকৰ্ষণীয় দিশটো হৈছে— বিদ্যালয়ত অনুষ্ঠিত সকলো ধৰণৰ প্ৰতিযোগিতাৰ স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ৰ প্ৰাতঃসভাত পুৰস্কাৰসমূহ বিতৰণ কৰি ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰা হয়। ইয়াৰোপৰি বিদ্যালয়ৰ হৈ অন্যান্য অনুষ্ঠানৰ জৰিয়তে পুৰস্কাৰপ্ৰাপ্ত হ'লেও প্ৰাতঃসভাতেই পুৰস্কৃত কৰি উৎসাহ দি অনুপ্ৰাণিত কৰা হয়। লগতে বিভিন্ন কাকত-আলোচনীত প্ৰকাশিত ছবি, কবিতা, গল্প, প্ৰবন্ধ আদি সাহিত্য আৰু সুকুমাৰ কলাসমূহৰ সফলতাসমূহো এই প্ৰাতঃসভাতেই সমূহীয়াকৈ ঘোষণা কৰি শিক্ষাৰ্থীসকলক অনুপ্ৰেৰণা যোগোৱাত বিদ্যালয়খনে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই বিদ্যালয়ৰ প্ৰাতঃসভাৰ অন্য এক উল্লেখনীয় দিশ হৈছে যে যদিও বিদ্যালয়খন ইংৰাজী মাধ্যমৰ তথাপিও প্ৰতিদিনেই অসমৰ জাতীয় সংগীত 'অ মোৰ আপোনাৰ দেশ' পৰিৱেশন কৰা হয়।

এই বিদ্যালয়খনৰ আন এটি উল্লেখনীয় দিশ হৈছে— বিদ্যালয়খনে এখন ইংৰাজী মাধ্যমৰ বিদ্যালয় হৈও অসমীয়া কলা-সংস্কৃতিৰ ৰক্ষাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। বিদ্যালয়খনত সকলো ধৰণৰ পৰম্পৰাগত তথা জাতীয় উৎসৱসমূহ পালন কৰাৰ উপৰি শিক্ষাৰ্থীসকলৰ ককাক-আইতাক শ্ৰদ্ধা-ভক্তি জনোৱাৰ লগতে ককা-আইতা আৰু নাতি-নাতিনীৰ সম্পৰ্ক মধুৰ কৰাৰ উদ্দেশ্যে প্ৰতিবছৰেই 'ককা-আইতা-নাতিৰ মেল' অনুষ্ঠান আয়োজিত কৰি আহিছে। এই অনুষ্ঠানটোত প্ৰধানকৈ ককা-আইতাসকলৰ চৰণ ধুৱাই শিক্ষাৰ্থীসকলক সৰুৰে পৰা জ্যেষ্ঠজনক শ্ৰদ্ধা জনোৱাৰ এক মানসিকতা গঢ়ি দিবলৈ প্ৰয়াস কৰি আহিছে। এই বিদ্যালয়ৰ আন এটি উল্লেখনীয় দিশ হৈছে— বিদ্যালয়ৰ প্ৰতিটো বিশেষ অনুষ্ঠানৰ লগত সংগতি ৰাখি একোখনকৈ প্ৰাচীৰ পত্ৰিকা প্ৰচাৰ কৰি শিক্ষাৰ্থীসকলক সাহিত্যৰ প্ৰতি অনুপ্ৰাণিত আৰু বিকশিত হোৱাত অনুপ্ৰেৰণা যোগাই আহিছে।

এই বিদ্যালয়খনত অসমৰ বিভিন্ন ঠাইৰ পৰা বিভিন্ন সফল ব্যক্তিৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা অভিভাৱকসকলৰ সৈতে পৃথকে পৃথকে বিভিন্ন অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত কৰি শিক্ষাৰ্থীৰ সৰ্বাংগীণ বিকাশত গুৰুত্ব দি আহিছে। সমাজসেৱা

তথা আর্তজনক সহায় কৰাৰ ক্ষেত্ৰতো এই বিদ্যালয়ৰ এক গুৰুত্বপূৰ্ণ অৱদান আছে। বিশেষকৈ কৰুণা মহামাৰীৰ সময়ত গপাক গাঁৱৰ আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ প্ৰতি ঘৰতে ৫০০ টকাৰ খাদ্য সামগ্ৰী বিতৰণ কৰি সহায় কৰিছিল। ইয়াৰোপৰি প্ৰতি বছৰে ৫ খন চৰকাৰী বিদ্যালয়ত পেঞ্চিল, বহী, কলম আদি লিখা সামগ্ৰী বিতৰণ কৰি আহিছে। অতিকৈ উল্লেখনীয় যে এই বিদ্যালয়খনে প্ৰতিবছৰে চুক্তি অনুসৰি বি. পি. এল পৰিয়ালৰ ১২ জন ছাত্ৰ-ছাত্ৰীক মাচুলবিহীনকৈ পঢ়ুৱাই আহিছে।

মুঠতে এই বিদ্যালয়খন ধেমাজিত এখন আদৰ্শনীয় বিদ্যালয় হিচাপে প্ৰতিষ্ঠিত হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ সৃজনী প্ৰতিভা, মৌলিক চিন্তা, গৱেষণা বা অধ্যয়ন আৰু উদ্ভাৱন আদিত যথেষ্ট পৰিমাণে গুৰুত্ব দি অহাৰ বাবেই ধেমাজি তথা সদৌ অসমভিত্তিত আয়োজিত বিভিন্ন অনুষ্ঠান, প্ৰতিযোগিতা যেনে— কুইজ, কবিতা আবৃত্তি, বক্তৃতা, ৰচনা প্ৰতিযোগিতা, নাটক, সত্ৰীয়া, বিহু তথা অন্যান্য নৃত্য, সংগীত, দিহানাম, খেল-ধেমালি, জ্ঞান-বিজ্ঞান, সাহিত্য, কলা-সংস্কৃতি আদিৰ ক্ষেত্ৰত সুনাম আৰ্জিবলৈ সক্ষম হৈছে। ইতিমধ্যে এই বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে পৰিবেশন কৰা দিহানাম ৰেঙণি টিভিৰ আৰাধনা অনুষ্ঠানত প্ৰচাৰিত হৈছে। অতি গৌৰৱৰ কথা যে এই বিদ্যালয়ৰে পঞ্চম শ্ৰেণীৰ ছাত্ৰী ধৃতিদীপা দত্তক "আসাম বুকচ্ অফ ৰেকৰ্ডচ্"এ কনিষ্ঠতম গল্প লেখক হিচাপে স্বীকৃতি দিছে। আশা কৰিব পাৰি যে অনাগত দিনত এই বিদ্যালয়খনত সম্ভাৱনাপূৰ্ণ বহু প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰীয়ে ধেমাজিলৈ গৌৰৱ কঢ়িয়াই আনিব। ❑❑

